জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১৫/২০২২**

## আমিনগাঁৱত অতিথিশালা তথা যাত্ৰী নিৱাস আৰু শৰাইঘাট হ্ৰদ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ট্যুৰ অপাৰেটৰ আৰু পৰ্যটক গাইডসকলক আনুষ্ঠানিকভাৱে বিত্তীয় সাহায্য প্ৰদান ধান সংৰক্ষণৰ বাবে গ্ৰামাঞ্চলত গুদামঘৰ নিৰ্মাণৰ অভিলাষী আঁচনিৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২১ এপ্ৰিল ঃ** কামৰূপ জিলাৰ চাংসাৰিত মুকলি হ'বলগীয়া এইমছত চিকিৎসাৰ বাবে অহা ৰোগী আৰু অন্যান্য লোক সকলৰ সহায়ক হোৱাকৈ তথা  আমিনগাঁৱত পৰ্যটনৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমিগাঁৱস্থিত  জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপত অতিথিশালা তথা যাত্ৰী নিৱাস আৰু শৰাইঘাট হ্ৰদৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য  যে  অসম পৰ্যটন উন্নয়ন নিগমে যথাক্ৰমে ৪৩ কোটি আৰু ৫ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্পসমূহ ৰূপায়ণ কৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানতে পৰ্যটন বিভাগৰ পৰ্যটন সঞ্জীৱনী আঁচনিৰ অধীনত পৰ্যটন বিভাগৰ পঞ্জীয়নভুক্ত ১১৪ গৰাকী ট্যুৰ অপাৰেটৰক ২ লাখ টকাকৈ আৰু পঞ্জীয়নভুক্ত ৬০৫ গৰাকী পৰ্যটক গাইডক ২৫ হাজাৰ টকাকৈ বিত্তীয় সাহায্য অনুষ্ঠানত আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

আনহাতে মুখ্যমন্ত্ৰীয়ে  মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডে ৰূপায়ণ কৰা ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি 'অসমৰ গ্ৰামাঞ্চলত ধান সংৰক্ষণৰ বাবে গুদাম ঘৰ স্থাপন' নামৰ এখন আঁচনিৰো শুভাৰম্ভ কৰে। ইয়াৰ অংশ হিচাপে মুখ্যমন্ত্ৰীয়ে গুদাম ঘৰ নিৰ্মাণৰ বাবে এই আঁচনিৰ অধীনত অন্তৰ্ভুক্ত হিতাধিকাৰী যেনে উদ্যোগী, ব্যক্তিগত সংস্থা, বেচৰকাৰী সংগঠন আদিক গুদামঘৰ নিৰ্মাণৰ বাবে আনুষ্ঠানিকভাৱে 'ইচ্ছা পত্ৰ' প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে লগতে 'সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ পৰা অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডক এই আঁচনিখন ৰূপায়ণৰ বাবে প্ৰথম কিস্তি হিচাপে  ৩.৩০ কোটি টকাৰ চেকো প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সাম্প্ৰতিক সময়ত আমিনগাঁও আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলসমূহত অৰ্থনৈতিক কাৰ্যকলাপ যথেষ্ঠ পৰিমাণে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে  এই অতিথিশালা তথা যাত্ৰী নিৱাস নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্মাণ কৰিবলগীয়া

যাত্ৰী নিৰাসৰ জৰিয়তে এইমছলৈ চিকিৎসাৰ বাবে অহা ৰোগী আৰু তেওঁলোকৰ সৈতে অহা ব্যক্তিসকলে আৰামদায়ক আৰু স্বাস্থ্যসন্মতভাৱে থকাৰ সুবিধা লাভ কৰিব। তেওঁ লগতে কয় যে প্ৰকল্পটোৰ ভিতৰত সন্নিবিষ্ট কৰা সুবিধাসমূহে পৰ্যটকসকলৰো সহায়ক হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে আমিনগাঁৱৰ শৰাইঘাট হ্ৰদৰ উন্নয়নে ৭ বিঘা ভূমি সামৰি লৈছে আৰু এই প্ৰকল্পই শৰাইঘাট হ্ৰদৰ লগতে বৰ্তমানে থকা উদ্যানখনৰো সম্প্ৰসাৰণ ঘটাব। আলাবৈ যুদ্ধ স্মাৰকৰ কাম অহা অহা মাহৰ পৰা আৰম্ভ হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শৰাইঘাট হ্ৰদ আৰু অন্যান্য পৰ্যটন স্থান সমূহে অঞ্চলটোক এক আকৰ্ষণীয় পৰ্যটনস্থলীলৈ ৰূপান্তৰিত কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মহাবীৰ লাচিত বৰফুকনৰ ৪০০ তম জন্ম জয়ন্তী উদযাপনৰ লগত সংগতি ৰাখি শেহতীয়াকৈ তেওঁ ভাৰতৰ সকলো ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ নিজ নিজ ৰাজ্যৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত অসমৰ ইতিহাসৰ মহান সেনাপতি গৰাকীৰ বিষয়ে এটা অধ্যায় অন্তৰ্ভুক্ত কৰাৰ বাবে পত্ৰ লিখাৰ কথাও ভাষণ প্ৰসঙ্গত উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ আৰু বিষয়াসকলক ১৮ ৰ পৰা ২৪ মাহৰ ভিতৰত এই প্ৰকল্পৰ দুটাৰ কাম সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। এই প্ৰকল্পৰ দ্ৰুত ৰূপায়ণ বাবে নিয়মিত নিৰীক্ষণৰ লগতে প্ৰাপ্য ধন সময়োচিতভাৱে মুকলি কৰি দি এক দৃষ্টান্ত দেখুৱাবলৈও কয়।

তেওঁ লগতে জনাই যে অঞ্চলটোৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ ৰাজ্য চৰকাৰে কামৰূপ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সমীপত এটা আৱৰ্ত্ত ভৱন নিৰ্মাণৰ পৰিকল্পনা কৰিছে।তেওঁ লগতে কয় যে প্ৰথম পৰ্যায়ত ইতিমধ্যে সংহত উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ কাম শেষ হৈছে। দ্বিতীয় পৰ্যায়ৰ কাম অতি শীঘ্ৰে আৰম্ভ কৰা হ'ব। আমিগাঁৱত এখন আন্তৰ্জাতিক মানৰ বেডমিন্টন একাডেমী নিৰ্মাণৰ বাবেও পৰিকল্পনা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা বছৰ উদ্‌যাপিত হোৱা বিশ্ব পৰ্যটন দিৱসত অংশ গ্ৰহণ কৰি ক'ভিড অতিমাৰীত ক্ষতিগ্ৰস্ত হোৱা ট্যুৰ অপাৰেটৰ আৰু পৰ্যটক গাইডসকলক বিত্তীয় সাহায্য প্ৰদানৰ কথা তেওঁ ঘোষণা কৰিছিল। এই ঘোষণা বাস্তবায়িত কৰাৰ বাবে ক্ষিপ্ৰতাৰে পদক্ষেপ লোৱাৰ বাবে পৰ্যটন বিভাগক মুখ্যমন্ত্ৰীয়ে প্ৰশংসা কৰে।

গ্ৰামাঞ্চলত গুদাম ঘৰ স্থপনৰ বাবে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত নতুনকৈ আৰম্ভ কৰা আঁচনিখনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষত ৰাজ্য চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে প্ৰতি কুইন্টল ধানত মূন্যতম সমৰ্থিত মূল্য ১৯৪০ টকাত কৃষকৰ পৰা ধান ক্ৰয় কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। কৃষকসকলৰ পৰা ধান সংগ্ৰহ কৰাৰ সময়ত ক্ৰয় সংস্থাসমূহে ভাৰতীয় খাদ্য নিগমৰ গুদামৰ ক্ষমতা কম থকা বাবে ধান জমা ৰখাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছিল। তেওঁ কয় যে নতুন আঁচনিয়ে অসমৰ ধান খেতি কৰা এলেকাসমূহত ধান ৰখাৰ ক্ষমতা বৃদ্ধি কৰিব আৰু শস্যৰ ক্ষতি

হ্ৰাস কৰি সুৰক্ষিত সঞ্চয়ৰ সুবিধা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে অহা বছৰৰ পৰা পোনপটীয়াকৈ ধান ক্ৰয় কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনাৰ কথাও ব্যক্ত কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে নতুন আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে সৰ্বাধিক ৪০ লাখ পৰ্যন্ত ৫০ শতাংশ ৰাজ সাহায্যৰে অসমৰ গ্ৰাম্যাঞ্চলত ১১০ স্থানত গুদাম স্থাপনৰ বাবে মুঠ ৩৯ কোটি টকাৰ অনুমোদন জনাইছে। এই গুদামবোৰে একে সময়ত সৰ্বাধিক ২০০০ মেট্ৰিক টনৰ পৰা নূন্যতম ৫০০ মেট্ৰিক টন ধান সংৰক্ষণ কৰিবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰীয়ে এই আঁচনি ৰূপায়নকাৰী সংস্থাক ৰাজ্য চৰকাৰে নিৰ্দ্ধাৰণ কৰা লক্ষ্য পূৰণ কৰিবলৈ গুদামসমূহ নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত নিৰ্মাণ নিশ্চিত কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত দাস, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, পৰ্যটন বিভাগৰ অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি আৰ শ্যামলেও ভাষণ প্ৰদান কৰে।

অসম পৰ্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক পদ্মপাণি বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, হাজো সমষ্টিৰ বিধায়ক সুমন হৰিপ্ৰিয়া, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডৰ অধ্যক্ষ ৰাজেন গোঁহাই, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ কুমাৰ দাস, উপায়ুক্ত কৈলাশ কাৰ্তিক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলৰ উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২১-০৪-২০২২**